জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪১০/২০২০**

# বাঘজানৰ গেছ নিৰ্গমনস্থলীত সংঘটিত অগ্নিকাণ্ড নিৰ্বাপনৰ বাবে তাৎক্ষণিক আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ বাবে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীক মুখ্যমন্ত্ৰীৰ আহ্বান

### অগ্নিনিৰ্বাপনৰ দিশত বায়ুসেনা বাহিনী নিয়োগৰ বাবে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীক মুখ্যমন্ত্ৰীৰ অনুৰোধ

## স্থানীয় ৰাইজৰ সুৰক্ষাৰ দিশত দৃঢ় পদক্ষেপ লোৱাৰ বাবে মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৯ জুন ঃ** বাঘজানৰ গেছ নিৰ্গমনস্থলীত সংঘটিত হোৱা অগ্নিকাণ্ড সন্দৰ্ভত মুখ্যমন্ত্ৰী সোণোৱালে আজি কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক টেলিফোনযোগে ঘটনাৰ সবিশেষ বৰ্ণনা কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই অগ্নি নিৰ্বাপনৰ বাবে তাৎক্ষণিক আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে লগতে স্থানীয় ৰাইজৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবেও জিলা প্ৰশাসন তথা আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে এই অগ্নিনিৰ্বাপন কাৰ্যত বায়ুসেনা বাহিনীক নিয়োগৰ ব্যৱস্থা কৰিবলৈ কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক অনুৰোধ জনায়।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বাঘজানৰ বিস্ফোৰণ সন্দৰ্ভত অসম চৰকাৰ তৰফৰ পৰা স্থানীয় ৰাইজৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই ক্ষেত্ৰত প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰাৰ বাবে জিলা প্ৰশাসনক নিৰ্দেশ দিয়া হৈছে। ৰাজ্যৰ মুখ্য সচিব আৰু ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধানকো এই ক্ষেত্ৰত সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। ঘটনাস্থলীৰ চৌপাশে থকা জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে ইতিমধ্যে জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, সামৰিক আৰু অৰ্ধসামৰিক বাহিনী, অগ্নিনিৰ্বাপন বাহিনী, এন ডি আৰ এফ বাহিনীক সক্ৰিয় কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অইল ইণ্ডিয়া, অ' এন জি চি, অসম চৰকাৰ, ভাৰতীয় সেনা বাহিনী, অৰ্ধসামৰিক বাহিনী, এন ডি আৰ এফ আদি সকলোৱে স্থানীয় ৰাইজক সুৰক্ষিত কৰাৰ বাবে পদক্ষেপ লোৱাৰ প্ৰয়াস কৰিছে আৰু এই ক্ষেত্ৰত সফলতা লাভ কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে স্থানীয় ৰাইজক আতংকিত নহ'বলৈ আহ্বান জনায়। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে সন্মিলিতভাৱে ৰাইজক সুৰক্ষিত কৰাৰ দিশত সকলো পদক্ষেপ গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**বংভাঃ**
**০৯/০৬/২০২০**